“নিশ্চয় মহান আল্লাহে আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে, আৰু মুমিনেও আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে। আল্লাহৰ আত্মমৰ্যাদাত তেতিয়া আঘাত হয়, যেতিয়া কোনো মুমিন ব্যক্তিয়ে হাৰাম কামত লিপ্ত হয়।”

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “নিশ্চয় মহান আল্লাহে আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে, আৰু মুমিনেও আত্মমৰ্যাদাবোধ প্ৰকাশ কৰে। আল্লাহৰ আত্মমৰ্যাদাত তেতিয়া আঘাত হয়, যেতিয়া কোনো মুমিন ব্যক্তিয়ে হাৰাম কামত লিপ্ত হয়।”
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আল্লাহেও আত্মসন্মানবোধ প্ৰকাশ কৰে, খং কৰে আৰু অপছন্দ কৰে। যিদৰে মুমিনসকলে আত্মসন্মানবোধ প্ৰকাশ কৰে, খং কৰে আৰু অপছন্দ কৰে। আল্লাহৰ আত্মসন্মানত আঘাত লাগে তেতিয়া যেতিয়া কোনো মুমিন ব্যক্তিয়ে আল্লাহে হাৰাম কৰা কামত লিপ্ত হয়। যেনে- ব্যভিচাৰ, সমকামিতা, চুৰি, মাদকদ্ৰৱ্য সেৱন আদি অশ্লীলতাত যেতিয়া লিপ্ত হয়।

http://www.sunnah.global/hadeeth/as/show/3354